ব্যাধ চৰিত্ৰ

সুন্দৰ কবিৰ দ্বাৰা ৰচিত

প্ৰকাশক :—

দত্তবৰুৱা ব্ৰাদাৰ্চ এণ্ড কোং

নলবাৰী, কামৰূপ (অসম)

১৯৫৮ চন।

বেচ ৵০ তিনি অনা।

কতনো পশুক দুষ্টে কৰিলে হৰণ।
কাহাৰো মাৰিলে ভাৰ্য্যা কাহাৰো নন্দন ॥
কাহাৰো মাৰিলে মাতৃ কাহৰো বা স্বামী।
শান্তিময় অশোকত লগালে অগণি ॥
কতো বৎস মৰিলেক দুগ্ধৰ বিহনে।
মাতৃক বিচাৰি হেম্বেপাই ৰাত্ৰি দিনে ॥
কতযে মাৰিলে পশু সংখ্যা নাহি তাৰ।
মৃগৰ মাজত বৰ ভৈল হাহাকাৰ ॥
এহি মতে পশু যেবে বহু মৃত্যু হৈল।
শুনিয়োক তাৰ পাছে যেন কথা ভৈল ॥
এক দিনা ব্ৰহ্মাদেৱে হংসযানে চড়ি।
বন উপবন শোভা চায় ফুৰি ফুৰি ॥
ভ্ৰমন্তে ব্ৰহ্মাদেৱে সি স্থানতে আসি।
দেখিলেক মৃগী এক ফান্দে আছে পশি ॥
মহা দুখে আছে মৃগী ধৰণীত পৰি।
এৰাইতে নপাৰে গলে পাৰে ব্যাধ জৰি ॥
চক্ষুৰ লোতক দুই ধাৰে বহি যায়।
উৰ্দ্ধ মুখে পৰি আছে পাশে বান্ধ খায় ॥

নিজ যাতনাক মৃগী নকৰে গণন।
বৎসক সুঁৱিযা মাত্ৰ কৰিছে ক্ৰন্দন॥
তোক চাৰি আসিলোহেঁা বিদুৰ পথত।
সেই শোক অগ্নি লাগি পোৰয় গাৱত॥
এহিমতে মহাদুখে নিশ্বাস চাৰন্ত।
কতো বেলি মৌন হুয়া হৰিক স্মৰন্ত॥
কৈত বৈলি পুত্ৰ বুলি পুনু বিনাৰন্ত।
নেদেখিলো তোৰ মুখ মৰণ কালত॥
অনন্তৰে চক্ষু মেলি ব্ৰহ্মাক দেখিলা।
সকৰুণ স্তৱে মৃগী বিনাইবে লাগিলা॥
নমো নমো ব্ৰহ্মা দেৱতাৰ আদিদেৱ।
তোমাৰ চৰণ সুৰাসুৰে কৰে সেৱ॥
দুখিত বৎসল তুমি দেৱৰ প্ৰধান।
কতাক্ষতে সৃজি আছা ইতিনি ভুৱন॥
তোমাৰেসে যশ কীৰ্ত্তি গাৱে চৰাচৰ।
পশিলো শৰণ প্ৰভু কৰিযো উদ্ধাৰ॥
ব্যাধে পাতি আছে ফান্দ মই নেদেখিলো।
আচম্বিতে আসি মই তাতে ভৰি দিলো॥

কতনো পশুক দুষ্টে কৰিলে হৰণ।
কাহাৰো মাৰিলে ভাৰ্য্যা কাহাৰো নন্দন॥
কাহাৰো মাৰিলে মাতৃ কাহৰো বা স্বামী।
শান্তিময় অশোকত লগালে অগনি॥
কতো বৎস মৰিলেক দুগ্ধৰ বিহনে।
মাতৃক বিচাৰি হেম্বেণাই ৰাত্ৰি দিনে॥
কতযে মাৰিলে পশু সংখ্যা নাহি তাৰ।
মৃগৰ মাজত বৰ ভৈল হাহাকাৰ॥
এহি মতে পশু যেবে বহু মৃত্যু হৈল।
শুনিয়োক তাৰ পাছে যেন কথা ভৈল॥
এক দিনা ব্ৰহ্মাদেৱে হংসযানে চড়ি।
বন উপবন শোভা চায় ফুৰি ফুৰি॥
ভ্ৰমন্তে ব্ৰহ্মাদেৱে সি স্থানত আসি।
দেখিলেক মৃগী এক ফান্দে আছে পশি॥
মহা দুখে আছে মৃগী ধৰণীত পৰি।
এৰাইতে নপাৰে গলে পাৰে ব্যাধ জৰি॥
চক্ষুৰ লোতক দুই ধাৰে বহি যায়।
ঊৰ্দ্ধ মুখে পৰি আছে পাশে বান্ধ খায়॥

নিজ যাতনাক মৃগী নকৰে গণন।
বৎসক স্মৰিযা মাত্ৰ কৰিছে ক্ৰন্দন॥
তোক চাৰি আসিলোহেঁ। বিদুৰ পথত।
সেই শোক অগ্নি লাগি পোৰয় গাৱত॥
এহিমতে মহাদুখে নিশ্বাস চাৰন্ত।
কতো বেলি গৌন হুয়া হৰিক স্মৰন্ত॥
কৈত বৈলি পুত্ৰ বুলি পুনু বিনাৰন্ত।
নেদেখিলো তোৰ মুখ মৰণ কালত॥
অনন্তৰে চক্ষু মেলি ব্ৰহ্মাক দেখিলা।
সকৰুণ ভাৱে মৃগী বিনাইবে লাগিলা॥
নমো নমো ব্ৰহ্মা দেৱতাৰ আদিদেৱ।
তোমাৰ চৰণ সুৰাসুৰে কৰে সেৱ॥
দুখিত বৎসল তুমি দেৱৰ প্ৰধান।
কতাক্ষতে সৃজি আছা ইতিনি ভূৱন॥
তোমাৰেসে যশ কীৰ্ত্তি গাৱে চৰাচৰ।
পশিলো শৰণ প্ৰভু কৰিযো উদ্ধাৰ॥
ব্যাধে পাতি থাছে ফান্দ মই নেদেখিলো।
আচম্বিতে আসি মই তাতে ভৰি দিলো॥

দেখা পৰি আছো ধৰণীত লুট খাই ।
মৃত্যুৰ কাৰণে মোৰ কোনো চিন্তা নাই ॥
জন্মিলে অৱশ্যে মৃত্যু এৰাণ নযায় ।
কিন্তু এক কৰ্ম্ম স্মৰন্তে থাতু যায় ॥
বৎসক চাৰিয়া মই চৰিবে আসিলো ।
দুগ্ধ দিবে লাগি মই যাইবাক নাপালো ॥
ব্যাধ জালে বন্দী হুয়া ৰৈলো এহি ঠাই ।
ক্ষুধাতুৰ আছে বৎস ভুঞ্জিৰে নাপাই ॥
সেহি খেদে প্ৰাণ মোৰ আছে এত পৰ ।
মাগিছোহো এতি দিয়া তোমাৰ ওচৰ ॥
কৃপা কৰি এৰি দিয়া বৎস পাশে যাওঁ ।
তোমাৰ প্ৰসাদে গৈয়া শিশুক পিয়াওঁ ॥
দুগ্ধক ভুঞ্জাই বৎস থৈয়া সেহি ঠাই ।
নকৰিবা ভয় প্ৰভু আসিবো দুনাই ॥
এহি মতে মৃগী স্তুতি কৰিলে বিস্তৰ ।
অনন্তৰে ব্ৰহ্মা পাছে দিলন্ত উত্তৰ ॥
কি কাৰণে খোক তই কৰস কাতৰ ।
পৰৰ দ্ৰব্যত মোৰ কিবা অধিকাৰ ॥

ব্যাধৰ সম্পত্তি এবে মোত কিবা সাধ।
চোৰ বুলি কদৰ্থিবে মোক সিটো ব্যাধ ॥
সিকাৰণে কহো তোক মোত আশা এৰ।
এহি বুলি চড়ে ব্ৰহ্মা হংসৰ উপৰ ॥
পুনৰপি মৃগী বোলে অতিসে কাতৰে।
শৰণাগতক ৰাখা দয়াৰ ঠাকুৰে।
আৰ্ত্ত হুই তযু পাশে কৰিছোঁ কাকুতি।
কৰা প্ৰভু যেনে ৰাখ্বা আপোন যুগুতি ॥
এহি বুলি মৃগী পাছে অধোমুখে ৰৈলা।
পুনৰপি ব্ৰহ্মাই ফিৰি বুলিবে লাগিলা ॥
এৰি দিবে পাৰোঁ মই ধৰ্ম্ম পন্থ চাই।
অৰণ্যৰ পশু কিবা আসিবি চুনাই ॥
নাহিকে সঞ্জাত কিছু পশু বনবাসী।
মৰিবাক লাগি কিয় প্ৰবেশিবি আসি ॥
যত কিছু কহি আছ নলয় মোৰ মনে।
ফাঁকি দিয়া পশিবি গৈয়া অতি ঘোৰ বনে ॥
নেমেলিবো তোৰ ৰান্ধ নেৰিবোহোঁ তোক।
ব্যাধৰ গালিত পাছে পাইবোহোঁ শোক ॥

শুনি মৃগী বুলিলন্ত বিষ্ণু বিষ্ণু স্মৰি।
নিশ্চয় আসিবো মই জানা নিষ্ঠ কৰি॥
তথাপিতো সত্য কৰোঁ শুনা সৃষ্টিকৰ।
নাহোঁ যদি ভুঞ্জিবোহোঁ নৰক বিস্তৰ॥
শুনি আছো মিত্ৰদ্ৰোহ কৰে যিটো জনে।
নাহিকে উদ্ধাৰ তাৰ ইতিনি ভুবনে॥
বৎসক পিয়াই দুগ্ধ আসিবো সত্বৰ।
এৰি দিয়া প্ৰাণ প্ৰভু নকৰিবা ডৰ॥
সংসাৰত মহা পাপ আছে যত যত।
তাতো কৰি হৈবো পাপী কাহলোঁ তোমাত॥
নিশ্চয় জানিবা প্ৰভু স্বৰূপ বচন।
শিশু গুটিক স্তন দিয়া আসিবো এখন॥
এহিমতে নানা স্তুতি কৰিলে বিস্তৰ।
সন্তাত গৈলেক পাছে দেব সৃষ্টিকৰ॥
ধীৰে ধীৰে গৈয়া তাৰ সমীপ চাপিলা।
দুই হাতে ধৰি পাছে বান্ধক খসাইলা॥
মুক্ত হৈয়া মৃগী পাছে ব্ৰহ্মাক প্ৰণামি।
বৎস সমীপক লাগি কৰিলে যেলানি॥

পশু চলি গৈলে ব্ৰহ্মা ৰৈলা সেহিঠাই।
পশুৰ বাক্যন্ত সপ্তান্ত আছে কিবা নাই॥
মৃগীৰ ভিতিক চাই এক দৃষ্টি ৰৈলা।
খৰন্তৰ বেগে দেখে বিত্তুৰক গৈলা॥
কতো বেলি পাইলা গৈ বৎসৰ কাষৰি।
সেহি স্থানে ফুৰে বৎস মাতৃক বিচাৰি॥
ক্ষীণ হৈলে তনু তাৰ . ফুৰে হেম্বেলাই।
মাতৃহীন হুয়া বৎস হৈলে মৃতপ্ৰায়॥
মাতৃ আসিয়াছে বৎস বিদুৰে দেখিলা।
মৃতকৰ দেহে যেন প্ৰাণক পাইলা॥
মাতৃ সমে বৎস যেবে হৈলে এক ঠাই।
পুচিবে লাগিলা বৎস মাতৃ মুখ চাই॥
কালি প্ৰভাততে গৈলি মোক পৰিহৰি।
ক্ষুধায় হৰাইছে প্ৰাণ আছো প্ৰায় মৰি॥
হৰিণীয়ে বোলে বাচা কি কৈবো বিলাই।
ভাগ্যেবসে তোৰ মুখ দেখিলো দুনাই॥
আপদ নগণি একো কুতুহল মনে।
তৃণ ভুঞ্জি ফুৰিছিলো এহিদেশে বনে॥

ব্যাধে ফান্দ পাতিছিল অলক্ষিত কৰি।
নেদেখিয়া তাৰ মাজে মই দিলো ভৰি ॥
গলে হাতে ফান্দ ডোলে লৈগৈক মেৰাই।
এৰাইবাৰ সাধ্য নাই আছিলো চেষ্টাই ॥
দৈব ক্ৰমে ব্ৰহ্মা আসি সিঠাইত ভৈলা
কাকুতি কৰন্তে মোৰ বান্ধ মেলি দিলা ॥
তোক দুগ্ধ দিবে লাগি মোক দিছে এৰি।
শীঘ্ৰে দুগ্ধ খাস বাপু বিলম্ব নকৰি ॥
ব্যাধে আসি পাইলে ব্ৰহ্মাৰ সৰ্ব্বনাশ।
দুনাই দেখা পাবাৰ নকৰিবা আশ ॥
মৃত্যুৰ হাতত কাৰো নাহিকে এৰাণ।
কৰ্ম্ম নিৰ্ব্বন্ধনে হয় মৃত্যুৰ কাৰণ ॥
সেহি কাল আসি মোৰ ওচৰ চাপিল।
ব্যাধৰ ফান্দত মৃত্যু কৰ্ম্মে নিৰ্ব্বন্ধিল ॥
সেহিসে কাৰণে তাত নাহি কোনো দুখ।
প্ৰতিপাল কৰিবাক নাপালোহোঁ তোক ॥
যিবা হৌক ভাগ্য বলে দেখি তোৰ মুখ।
মৃত্যুৰ কাৰণে মোৰ নাহি কোনো দুখ ॥

PLEASE HANDLE THE BOOK CAREFULLY.

মোক লাগি বাপ শোক দুখ পৰিহৰি।
দুগ্ধ পীয়া শীঘ্রে মোক দিয়া বাপ এৰি॥
শুনি বৎসে বুলিলন্ত সুভুঞ্জিবো আৰ।
চলা শীঘ্রে যাওঁ আমি ব্রহ্মাৰ ওচৰ॥
ত্রৈলক্যৰ নাথ যিটো দেৱ সৃষ্টিকৰ।
তেওঁ দুখ পাইলে নর্ক ভুঞ্জিবো বিস্তৰ॥
এহি বুলি শীঘ্রে দুয়ো উপস্থিত ভৈলা॥
সমীপ চাপি ব্রহ্মাক স্তুতি আৰম্ভিলা।
নমো দেৱ সৃষ্টিকৰ অগতিৰ গতি।
অধম তাৰণ প্রভু অখিলৰ পতি॥
দয়াৰ নিদান তুমি জগত কাৰণ।
আতুৰ জানিয়া প্রভু আহিলা ইঠান॥
পশু জাতি মূঢ়মতি অধম অজ্ঞান।
নিজগুণে কৃপাকৰি কৰা পৰিত্রাণ॥
বৎসৰ মায়াত মোৰ আত্ম হেৰবাই।
কৰি আছো অপৰাধ ক্ষমি সেই দাই॥
পশুজ্ঞান গুচাই মোক দিয়া শুদ্ধমতি।
অন্তকালে দিব্য জ্ঞানে লভোক মুকুতি॥

তযু কৃপাগুণে বাঞ্চা কৰি সমপূৰণ।
জনমলৈ বুলি প্ৰভু লৈলোহোঁ শৰণ ॥
এবে তুমি ৰিবা খোজা কৰা নাৰায়ণ।
ব্যাধ পাশে ৰাখি মোক কৰাহে ৰক্ষণ ॥
এহিমতে মৃগী আসি মৃত্যু সমৰ্পিলা।
দেখি বিধি মনে মনে বিস্ময় মানিলা ॥
পশুজাতি হৈয়ো তাৰ সত্যক ৰাখিলা।
নিজ প্ৰিয় প্ৰাণ হেতু মোহোক ছাড়িলা ॥
সত্যৰ প্ৰভাৱে তাৰ হৈবে দিব্য জ্ঞান।
ধাৰ্ম্মিকৰ লগে ফুৰে সদা নাৰায়ণ ॥
অৱশ্যে ৰাখিব আক সেহি ভগবান।
সকলোতে সমভাৱ যাৰ অনুক্ষণ ॥
পশুজাতি হীন মতি অৰণ্য নিবাসী।
ঈশ্বৰৰ কৃপায় জ্ঞান সম্পজিল আসি ॥
হেন জানি নিৰন্তৰে লোৱা হৰি নাম।
দূৰ হোক সুখ মনে বোলা ৰাম ৰাম ॥

—+—

ছুলড়ি।

অনন্তৰে ব্যাধে, শুতিয়া থাকন্তে,
স্বপ্ন দেখিলন্ত পাছে।
পাৰে ডোল লাগি সুন্দৰ হৰিণী
ধৰণীত পৰি অছে॥
চেতন লভিয়া, শয্যাৰ উঠিয়া
গুণিবে লাগিলা মনে।
কতক্ষণে ৰাতি, পুহাইবে বুলিয়া,
উচপিচ কৰে ঘনে॥
কতক্ষণে মানে, নিশা বহি গৈল,
প্ৰভাত আসি মিলিলা।
আথ বেথ কৰি, উঠিয়া তেখনে,
ভাৰ্য্যাক সম্বোধি কৈলা॥
শুনিও সুন্দৰী, বিলম্ব নকৰি,
উঠিয়োক শীঘ্ৰ কৰি।
আহাঁ দুয়ো যাওঁ, বনৰ ভিতৰ,
ফান্দে আছে পশু পৰি॥

এহি বুলি ব্যাধে, তেখনে লৰিলা
হাতে লৈয়া জাল জৰী।
স্বামীৰ বচনে, ভাৰ্য্যায়ো তেখনে,
চলি গৈলা গৃহ এৰি ॥
কৌতুহলে ব্যাধ, বন্ধনী সহিতে,
বনত পশিঙ্গা যায়।
যৈত ফান্দ সব, পাতিয়া আছিল,
ঝাণ্টে সিস্থানক চাই ॥
দেখে মৃগী যাই, দিছে একৰাই,
ব্ৰহ্মাক দেখিলা পাছে।
নাহি অন্যজন, এই নৰাধম,
ফান্দ একৰাই দিছে ॥
ক্ৰোধত জ্বলিয়া, গৰ্জ্জিবে লাগিলা,
কিয় কৈলি হেন কাম।
ইহেন সুন্দৰ, পুষ্ট পশুবৰ,
বিফল হৈল পৰিশ্ৰম ॥
মোহোৰ ফান্দত, পশু লাগিছিল,
গৃহস্থ হোৱয় তই।

যদি পশু নেদ, সেস্থৰে নেৰিবো
দুৰ্জ্জন ব্যাধ যে মই ॥
ব্যাধৰ বচন, শুনিয়া ব্ৰহ্মায়ে
মাতিলেক ধীৰে ধীৰে ।
তোৰ পশু গুটি, এৰি দিলো মই,
আসিবন্ত পুনৰ্ব্বাৰে ॥
কিন্তু অল্পক্ষণ, বিশ্ৰাম লভিয়া
সুস্থ হোৱা ব্যাধ তুমি ।
তোৰ পশু গুটি, এখনে আসিবে,
নিশ্চয় কহিলো আমি ॥
ব্ৰহ্মাৰ বচন, শুনিয়া ব্যাধৰ,
ক্ৰোধ বৰ জ্বলি গৈলা ।
কাম্পে হাত ভৰি, দন্ত কড় কড়ি,
চোবাই গৰ্জ্জিবে লৈলা ॥
কোথেৰ ব্ৰাহ্মণ, পাগল অজ্ঞান,
সুবুদ্ধিলি অভিপ্ৰায় ।
যেন চোৰ সব, সৰ্ব্বস্ব লোটয়,
গৃহ হস্তে লাগ পায় ॥

ধৰি আনি তাক, মাৰিবে খোজয়,
আসয় মাতিয়া কয়।
সেহিমতে মোত, কহন্তে আছন,
'আসিব বুলি দুনাই॥
বনৰ হৰিণ, এবে এৰি দিয়া,
আসিব বুলি আছন।
জানি আছো মই, লুভীয়া ব্ৰাহ্মণ,
নিবে চাইলি কৰি ক্ৰোশ॥
ডোল একৰাই, দিবাক চাহিলি,
পলাইলেক পশু গুটি।
বিৰলে ভুঞ্জিবে, চাহন্তে দ্বিজৰ,
কপালে নাহিকা আতি॥
এহিমন্তে ব্যাধ, ধিকাৰ কৰন্তে,
ভাৰ্য্যায়ে বুলিলা পাছে।
শুনিয়োক স্বামী, নাপাৰিবা গালি,
আসিবাক পশু আছে॥
ই হেন সুন্দৰ, কৈত দেখি আছা,
দ্বিজৰ মধ্যত পশি।

PLEASE HANDLE THE BOOK CAREFULLY.

কিবা ব্ৰহ্মা হৰ, আসিয়া আছয়
কিবা সূৰ্য্য দেৱ শশী।
ভাৰ্য্যাৰ বচন, শুনিয়া ব্যাধেও,
বলিলেক বাক্য পালি॥
থনিক দেখিও, আসন্তোক পশু
নপাৰিবা আৰ গালি।
নমো নমো ব্ৰহ্মা, তোমাৰ চৰণে,
কৰো লক্ষ নমস্কাৰ।
দেৱ সৃষ্টিকৰ, কৃপাৰ সাগৰ
কৃপাৰ নাহিকে পাৰ॥
দেখি পশুজাত, জ্ঞান হীন অতি,
ভক্ত জানি এৰি দিলা।
ভকতি শোধন, জানিবা কাৰণ,
শুকে সিদ্ধ আগে কৈলা॥
হেন জানি সবে, কৃষ্ণৰ চৰণে,
ভজা এৰি আন কাম।
কহয় সুন্দৰে, শুনা নিৰন্তৰে,
ডাকি বোলা ৰাম ৰাম॥

পদ।

শুক নিগদতি শুনিয়োক সিদ্ধগণ।
বৎসৰ সহিতে মৃগী কৰে নিৰীক্ষণ॥
ব্ৰহ্মাৰ সমীপে আছে মাথা দোঁৱাইয়া।
দেখিয়া ব্যাধৰ গৈল মুখ শুকাইয়া॥
মনত বোলন্ত ইটো নুহিকে ব্ৰাহ্মণ।
নিশ্চয় জানিলো এন্তে দেৱ নাৰায়ণ॥
পশুক ৰাখিবে লাগি বনে আসি আছে।
এহি বুলি গুণি ব্যাধে ভয় হৈয়া পাছে॥
ব্ৰহ্মাৰ পাৱত পৰি কম্পে থৰ থৰি।
কৰিবে লাগিলা স্তুতি কৃতাঞ্জলি কৰি॥
নমো নমো নাৰায়ণ অনাথ বান্ধৱ।
জীৱৰ জীৱন প্ৰভু প্ৰাণৰ মাধৱ॥
ভকতৰ ভয়হাৰী দুখানি চৰণ।
মই অধমক লাগি হুয়োক প্ৰসন্ন॥
নজানি তোমাক নিন্দি বুলিলো বিস্তৰ।
ব্যাধৰ ভক্তিত তুষ্ট হৈয়া সৃষ্টিকৰ॥

সম্বোধি বোলন্ত ব্যাধ নিচিনিলি মোক।
নোহো নাৰায়ণ ব্ৰহ্মা চিনা দিলো তোক॥
বিস্তৰ মাৰিলি পশু মাধৱৰ ভক্ত।
তাৰ তবে দুখ তই ভুঞ্জিবি আসক্ত॥
নিৰ্দ্দোষী পশুক হিংসা কবে যিটো জনে।
নাহিকে উদ্ধাৰ তাৰ ইতিনি ভূৱনে॥
হেনয় পশুক তই মাৰিলি যতেক।
কত পাপ হৈল তাক কহিবো কতেক॥
ঈশ্বৰ কৃষ্ণৰ পাৱে ভজিও সদায়।
হিংসা নকৰিবি ব্যাধ জ্ঞান দিলো মই॥
অজ্ঞানী ব্যাধেও পাছে মনে গুণি লৈলা।
ভাৰ্য্যায়ে সহিতে ব্যাধ গৃহে চলি গৈলা॥
সেই দিনা ধৰি ব্যাধ বৃত্তি পৰিহৰি।
ঈশ্বৰক চিন্তে মাত্ৰ ব্ৰহ্মাৰ বাক্য ধৰি॥
ব্যাধ ভাব গুচি তাৰ শুদ্ধ ভাব হৈল।
সুজনৰ বাক্য পালি নিস্তাৰ হইল॥
দেখিলেক মৃগী পাছে ব্যাধ ফিৰি গৈলা।
সেহি বেলা পুনঃ পশু স্তুতি আৰম্ভিলা॥

নমো সৃষ্টিকৰ দেৱ দেৱ শিৰোমণি।
কটাক্ষতে স্ৰজা তুমি যত জীৱ প্ৰাণী॥
তোমাৰেসে হন্তে হয় সৃষ্টি স্থিতি লয়।
তোমাৰ কৃপায় নৰ মহাসুখী হয়॥
যাৰ প্ৰতি দয়া প্ৰভু কৈলেক তোমাৰ।
নিস্তাৰিয়া যায় সিটো দুৰ্গম সংসাৰ॥
কৰিলাহা কৃপা যত কৈব কত মুখে।
তোমাৰ প্ৰসাদে প্ৰভু ভ্ৰমিলাহো সুখে॥
আৰো খনিতেক মোৰ জীৱন ৰখায়।
কিনো কৃপা কৰি প্ৰভু ৰাখিলা গোসাঁই॥
এবে এহি বৰ মাগো তোমাৰ চৰণে।
বৎস সমে কোনো বিঘ্ন নপটিয় বনে॥
নকৰো কাহাৰো হানি অৰণ্য নিবাসী।
মাংসৰ কাৰণে বিঘ্ন ঘটাৱয় আসি॥
সেহি ভয়ে শৰণ যে পশিলো তোমাত।
নিশ্চয় কৰিও ভয় নাথাকে কাহাত॥
এহিমতে মৃগী স্তুতি কৰিলা বিস্তৰ।
হাসিয়া বোলন্ত পাছে দেৱ সৃষ্টিকৰ॥

মোহোৰ বচনে তোৰ নাহি কৰো ভয় ।
বংসৰ সহিতে সদা সুখে থাক তয় ॥
যিটো জনে আসি তোক ঘটাবে বিঘিনি ।
সিটো জনে দুখ পাইবেক আপুনি ॥
এহি মতে ব্রহ্মা পাছে আশ্বাস কৰিয়া ।
ব্রহ্মালোকে গতি কৰে হংসত চৰিয়া ॥
শুনিয়োক সর্ব্বজনে পুৰাণৰ কথা ।
ইহেন মনুষ্য জন্ম নকৰিবা বৃথা ॥
আক জানি সাৰ সুখ ফল পৰিহৰি ।
ভজিও কৃষ্ণৰ পাৱে বিলম্ব নকৰি ॥
হৰিৰ সেৱাত বিনে নাহি আন ধন ।
জানিয়া ভজিও সাৰ কৃষ্ণৰ চৰণ ॥
কৃষ্ণেসে পৰম গুৰু সখা ইষ্টদেৱ ।
তাহান অভয় দুই পাদ কৰো সেৱ ॥
তেবেসে তৰিবা ঘোৰ দুস্তৰ সংসাৰ ।
নভজিলে ভুঞ্জিবেক যাতনা অপাৰ ॥
দুখময় সংসাৰত নাহি আন সুখ ।
দেখন্তেসে সুখ দেখি অন্ত কালে দুখ ॥

হেন জানি ভজা কৃষ্ণ তেজি আন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম॥

দুলড়ী

নমো নমো কৃষ্ণ, কৃপাৰ সাগৰ,
কৃপাৰেসে অনুপাম।
ভকত বৎসল, প্ৰভু নাৰায়ণ,
পূৰিও মনৰ কাম॥
মই মূঢ়মতি, নাজানো ভকতি
সেৱাৰ নাজানো তত্ত্ব।
তোমাৰ চৰণে, পৰি অনুক্ষণে,
প্ৰণামোহো শত শত॥
তুমিসে ঈশ্বৰ, মই দুৰাচাৰ,
লৈয়ো মোক দাস কৰি।
কৃপাৰ গুণত, ৰাখিবে লাগয়,
তুমি প্ৰভু ভয়হাৰী॥

নানা সহস্ৰেক, অপৰাধ প্ৰভু
কৰি আছো যত মানে।
ততেক দোষক, ক্ষমিও আমাৰ,
তুষ্ট হুয়া তযু গুণে॥
বিষয় বাসনা, তিলেক নচাৰে,
শোক মোহ নানা দুখ।
যেবে কৃপা কৰা, দাস বুলি ধৰা,
তেবেসে হোৱয় সুখ॥
এবে প্ৰাণনাথ, অনাথ বান্ধৱ,
অনাথক দয়া কৰা।
পশিলো শৰণ, জীৱৰ জীৱন,
মোক দাস বুলি ধৰা॥
ই কথা থাকোক, মহন্ত সবক,
কৰো মই প্ৰণিপাত।
মোৰ দোষ যত, ক্ষমিবা সমস্ত,
পদত দূষণ যত॥
যদি নিন্দা বাণী বোলা নাই হানি,
তাত আৰো কিছু নাই।

মহন্ত সবক, দূষিব্লৈ নালাগে,
পদত দূষণ পাই ॥
ইটো পদচয়, বিৰচিলো মই,
নামত বুলি সুন্দৰ।
ব্যাধ পুৰাণৰ, কথা সমাপতি,
হৈলা সব নিৰন্তৰ ॥
হৰি নাম বিনে, নাহি অন্য ধন
ভজা এৰি আন কাম।
কহয় সুন্দৰে, শুনা নিৰন্তৰে,
ডাকি বোলা ৰাম ৰাম ॥

—সমাপ্ত—

Library books will give you joy for long
if handled carefully with clean hands

আমাৰ প্ৰাইজ আৰু লাইব্ৰেৰীৰ কিতাপ

শিশু-সাহিত্যমালা—

শিশু-ৰামায়ণ—	।/০
টলষ্টয়ৰ সাধু—	।/০
শৰৎচন্দ্ৰ—	।/০
চিলাৰায়—	⁄০
সখি—	।⁄০
ফল কলা—	।⁄০

সচিত্ৰ গল্প সাহিত্য—

সচিত্ৰ ৰাধিকাৰ কলঙ্ক ভঞ্জন—	॥০
সচিত্ৰ ভীম চৰিত—	॥০
সচিত্ৰ সীতা বনবাস—	৸০
সচিত্ৰ স্যমন্ত হৰণ—	।০
সচিত্ৰ যমৰ ঘৰত জীয়ন্ত মানুহ—	।০
সচিত্ৰ পক্ষী পুৰাণ—	⁄০
সচিত্ৰ লক্ষ্মী চৰিত্ৰ—	⁄০
সচিত্ৰ বেউলা লক্ষিন্দাৰ—	১৲
সচিত্ৰ কাণ কোৱা—	⁄০

আমাৰ ধৰ্ম পুথি—

কাঞ্চনী হৰণ—	১৸০
ৰাজসূয়—	১৸০
ধৰ্ম্ম সংবাদ—	।⁄০
অৰ্জ্জুন সংবাদ—	।⁄০
কীৰ্ত্তন-ঘোষা—	৬৲

শ্ৰীমদ্ভাগৱত -১ম—১২শ স্কন্ধ — ১৫৲

নামঘোষা—	১॥০
শীতলা—	।/০
বৰ কবৰিত—	৸০
সচিত্ৰ অশ্বকৰ্ণ যুদ্ধ—	১৲
গীতা—	২৲
অৰ্জ্জুন গীতা—	⁄০
শ্ৰীআদি যামল—	১।০
উষা হৰণ—	৸০
ব্যাধ চৰিত—	⁄০
অশোক চৰিত—	।০
জীৱ স্তুতি—	।০
কালিকা পুৰাণ—	॥⁄০
বাবা-চৰিত্ৰ—	॥⁄০
গুপ্তমণি—	।/০
ত্ৰিনাথৰ পাঁচালি	⁄০
বৰ গীত—	৸৴
যুগধৰ্ম্ম—	॥০
শ্ৰীশ্ৰীকৃষ্ণৰ অষ্টোত্তৰ শতনাম—	⁄০
সচিত্ৰ কূৰ্ম্মৱালী যুদ্ধ—	১৲
কথা দশম—	১॥০
শকুন্তলা—	১॥০
আৰ্য্য পুৰুষীনাৰা—	॥০

দত্ত বৰুৱা ব্ৰাদাৰ্চ এণ্ড কোং। নলবাৰী; (কামৰূপ)

নলবাৰী উমা প্ৰেছত শ্ৰীভৃগুলোচন দত্তৰ দ্বাৰা ছপা হল।